**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 12-03-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

অসম চুক্তিৰ ৬ নম্বৰ দফাৰ সকলো দিশ ৰূপায়ণ কৰিবলৈ অসম চৰকাৰ বদ্ধপৰিকৰ আৰু ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটত এই ক্ষেত্ৰত প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। বিধানসভাত কালি ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটক লৈ হোৱা আলোচনাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ ৫২টা পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ চৰকাৰ আগবাঢ়িছে। ইয়াৰ অংশ হিচাপে গৱেষণা কাৰ্য সূচল কৰি তোলাৰ লগতে সংৰক্ষণ আৰু নথিভুক্তকৰণৰ বাবে আধুনিক প্ৰযুক্তি আকোঁৱালি ল'বলৈ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ ১০০ কোটি টকাৰ এককালীন সাহায্য আগবঢ়োৱা হৈছে। একেদৰে এবছৰৰ ভিতৰত ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিচন প্ৰতিষ্ঠানক ডিপ্লমা পৰ্যায়ৰ প্ৰতিষ্ঠানৰ পৰা ডিগ্ৰী পৰ্যায়ৰ প্ৰতিষ্ঠানলৈ উন্নীতকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে ৰাজ্যত সকলো জিলা সদৰত বহুমুখী সাংস্কৃতিক চৌহদৰ নিৰ্মাণ কৰা হ'ব। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন নামেৰে নামকৰণ কৰিবলগীয়া এই চৌহদসমূহত মহান সাহিত্যিকগৰাকীৰ জীৱন আৰু কৰ্মৰাজীক আভাস দিয়া হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই উদ্দেশ্যে এইবাৰৰ বাজেটত ৩৫ খন জিলাৰ বাবে ধাৰ্য কৰা ৭০০ কোটি টকাৰ ভিতৰত ১২ খন জিলাৰ বাবে ২৪০ কোটি টকা আবণ্টন কৰা হৈছে। তেওঁ লগতে জিলা আৰু সমজিলা সমূহত জনজাতীয় আৰু অন্য থলুৱা সম্প্ৰদায়ৰ বাবে বহুমুখী সাংস্কৃতিক চৌহদ নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰি ২০২৫-২৬ বিত্তীয় বৰ্ষত ২০টা এনে প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০

দেশে স্বাধীনতাৰ অমৃত কালত জ্ঞান, গৱেষণা আৰু উদ্ভাৱনৰ দিশত অগ্ৰগতি লাভৰ বাবে ব্ৰতী হৈছে বুলি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই মন্তব্য কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ত্ৰয়োবিংশতিতম সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে ছাত্ৰ-ছাত্ৰীসকল উন্নত ভাৰত গঢ়াৰ এই প্ৰচেষ্টাৰ মূল হোতা আৰু এই ক্ষেত্ৰত অনুঘটকৰূপে কাম কৰাৰ বাবে তেওঁলোকে নিজকে জ্ঞান, গৱেষণা আৰু উদ্ভাৱনৰ মাধ্যমেৰে সবল কৰি তোলাৰ আৱশ্যকতা আছে। দেশৰ উজ্বল ভৱিষ্যত সুনিশ্চিত কৰাৰ বাবে শিক্ষাৰ্থীসকলে নিজৰ সপোন বাস্তায়িত কৰাৰ বাবে নিষ্ঠাৰে কাম কৰা উচিত বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে। সমাৰোহত ভাষাবিদ নাহেন্দ্ৰ পাড়ুনক সন্মানীয় ডি. লীট উপাধি প্ৰদান কৰা হয়। প্লাজমা বিজ্ঞানী ড° জয়ন্তী চুতীয়াক সন্মানীয় ডি এছ্ চি উপাধি প্ৰদান কৰা হয়। সমাৰোহত এহেজাৰ ৮৮৮ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ১১৪ গৰাকী গৱেষক শিক্ষাৰ্থীক ডক্টৰেট ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে ৩৮ গৰাকী কৃতি শিক্ষাৰ্থীক স্বৰ্ণ পদক প্ৰদান কৰা হয়। অসমীয়া ডাটা আধুনিকীকৰণ আৰু কৃত্ৰিম বুদ্ধিমত্তা বিশেষজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা তথা কেলিফৰ্ণিয়াত কৰ্মৰত ড° ৰূপম শৰ্মাই সমাৰোহত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০০০

লখিমপুৰ কৰ্কট কেন্দ্ৰৰ সামুহিক জন সম্পৰ্কৰক্ষী দলে কালি ত্ৰয়োদশ অসম আৰক্ষী বাহিনীত এটা কৰ্কট ৰোগৰ সজাগতা আৰু নিৰীক্ষণ কাৰ্যসূচীৰ আয়োজন কৰে। কৰ্কট ৰোগৰ আগতীয়া চিনাক্তকৰণ আৰু চিনাক্ত হোৱা ৰোগীৰ সঠিক চিকিৎসা নিশ্চিত কৰাৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ডাঃ গোপাল কুমাৰ পুৰকায়স্থৰ নেতৃত্বত আয়োজিত কাৰ্যসূচীত চিকিৎসকগৰাকীয়ে এই ৰোগৰ আগতীয়া চিনাক্তকৰণ কেনেদৰে কৰিব পাৰি, সেই বিষয়ে বিতংভাৱে ব্যাখ্যা কৰে। তদুপৰি আক্ৰান্ত ৰোগীৰ ক্ষেত্ৰত

নিয়মীয়াকৈ চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰোৱাটো কিমান জৰুৰী সেই বিষয়েও চিকিৎসকগৰাকীয়ে অৱগত কৰে। এই কাৰ্যসূচীত কমেও ১২০ গৰাকী আৰক্ষী কৰ্মীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত ১০৬গৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

০০০০০০০

তিনিচুকীয়াৰ অতিৰিক্ত জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতে কালি পিতৃ হত্যাৰ অপৰাধত অৰিন্দম দত্ত নামৰ এজন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়ে। ২০২৩ চনৰ ডিচেম্বৰত এই লোকজনে অশ্বিনী দত্ত নামৰ তোলনীয়া পিতৃক হত্যা কৰিছিল। অভিযুক্তই আৰক্ষীৰ আগত এই সন্দৰ্ভত স্বীকাৰোক্তি দিছিল। এই গোচৰৰ শুনানি প্ৰক্ৰিয়াত ১০ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰি আদালতে এই ৰায় প্ৰদান কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ লাহোৱালৰ ৰমাইঘাটত কালি ডাইনীৰ সন্দেহত এগৰাকী মহিলাক নিৰ্যাতন চলোৱাৰ গোচৰত আৰক্ষীয়ে ছজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজনৰ ভিতৰত বিনোদ চাংঘা নামৰ এজন তান্ত্ৰিকো আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। বিনোদ চাংঘাৰ নেতৃত্বতে এই ঘটনা সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন হৈছে। উল্লেখযোগ্য যে যোৱা সোমবাৰে ১ নম্বৰ ৰাজগড় শিঙিমাৰীৰ একাংশ লোকে এগৰাকী মহিলাক ডাইনীৰ সন্দেহত নিৰ্যাতন চলাই নৈত উটুৱাই দিছিল। বৰ্তমান মহিলাগৰাকী অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে।

০০০০০০০

কৰ্ম সংস্থাপনৰ সন্ধানত ম্যানমাৰলৈ গৈ চাইবাৰ অপৰাধী চক্ৰত সোমাই পৰা অসমৰ ৫ জন যুৱকক ধৰি দেশৰ ২৮৩ জন ব্যক্তিক ম্যানমাৰত থকা ভাৰতীয় দূতাবাসে কালি উদ্ধাৰ কৰে। বায়ুসেনাৰ বিমানেৰে ম্যানমাৰৰ ম্যাৱাদ্দিৰ পৰা থাইলেণ্ড হৈ নতুন দিল্লীলৈ অহা দলটোত ১৭ গৰাকী মহিলাও আছে। নতুন দিল্লীৰ অসম ভৱনৰ অসম আৰক্ষীয়ে ৰাজ্যখনৰ যুৱক ৫ জনক জিম্মাত ৰাখিছে। আৰক্ষীৰ প্ৰাৰম্ভিক অনুসন্ধানত অধিক দৰমহাৰ প্ৰলোভনত ম্যানমাৰলৈ গৈ চাইবাৰ চক্ৰৰ সৈতে যুৱককেইজন জড়িত হৈ পৰিছিল বুলি সন্দেহ কৰা হৈছে যদিও এই সন্দৰ্ভত তদন্ত অব্যাহত ৰখা হৈছে। ভাৰতীয় দূতাবাসে উদ্ধাৰ কৰা দলটোত অসমৰ উপৰি পশ্চিমবংগ, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, গুজৰাট আৰু উত্তৰ প্ৰদেশৰ যুৱক-যুৱতী থকা বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০০

**সমাপ্ত**